RNI REGN.
Portal :
e-mail :

# অসম আদিত্য

8 ■ ২ আহিন, ১৯৪৭ শক ■ শুকুৰবাৰ, ১৯ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, September 19, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ

## পৰিষ্কাৰ-পৰিচ্ছন্নতা নাগৰিকৰ কৰ্তব্য নহয়, ই এক ধৰ্ম হোৱা উচিত ঃ অধ্যক্ষ ড° শইকীয়া

# ডিব্ৰুগড় চহৰত 'স্বচ্ছতা হি সেৱা পযেক' আৰম্ভ






**ষ্টাফ ৰিপৰ্টাৰ, ১৮ ছেপ্টেম্বৰ ঃ** পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বচ্ছতা নাগৰিকৰ কৰ্তব্য নহয়, ই সুস্থ জীৱনধাৰণৰ বাবে এক ধৰ্ম হোৱা উচিত। এখন স্বচ্ছ সমাজে সুস্থ-সবল সমাজ সৃষ্টি কৰিব পাৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ, স্বচ্ছ ভাৰত মিছন অসমৰ প্ৰাক্তন ব্ৰেণ্ড এম্বেছেদৰ, বিশিষ্ট লেখক-সাহিত্যিক ড০ শশীকান্ত শইকীয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে আজিৰ পৰা ডিব্ৰুগড়ত শুভাৰম্ভ কৰা 'স্বচ্ছতা হি সেৱা পযেক' কাৰ্যসূচীত উপস্থিত থাকি এইদৰে কয়। প্ৰধানমন্ত্ৰীগৰাকীৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি স্বচ্ছ ভাৰত মিছন অসমৰ প্ৰাক্তন ব্ৰেণ্ড এম্বেছেদৰ তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শইকীয়াই পৰিষ্কাৰ-পৰিচ্ছন্নতাক ভগৱান প্ৰাপ্তিৰ স'তে তুলনা কৰি কয়— পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশে মানুহৰ মন-মগজু সুস্থ কৰি ৰাখে আৰু আনন্দময় কৰিতোলে। স্বচ্ছতাক ভাৰতীয় মানুহে আজিও অভ্যাসৰূপে গ্ৰহণ কৰিব পৰা নাই বুলি উল্লেখ কৰি কয়— যেতিয়াই ভাৰতীয় মানুহে পৰিষ্কাৰ-পৰিচ্ছন্নতাক অভ্যাসত পৰিণত কৰিব, তেতিয়াই এখন সুস্থ সমাজ, শক্তিশালী সমাজ গঢ়ি উঠিব। তেওঁ কয় যে চহৰৰ প্ৰত্যেকজন নাগৰিকে অন্ততঃ নিজা নিজা ঘৰৰ সন্মুখভাগ আনে পৰিষ্কাৰ কৰিব বুলি আশা পালি নৰৈ নাথাকি নিজহে পৰিষ্কাৰ কৰি ৰখাৰ অভ্যাস কৰি তোলে তেতিয়াই প্ৰতিখন চহৰ, নগৰ, মহানগৰ, গাঁও পৰিষ্কাৰ হৈ থকিব বুলিও কয়। একৈশ শতিকাত প্ৰযুক্তিৰ জয়জয়কাৰ সময়ত এচাম মানুহ গ্ৰহ গ্ৰহান্তৰলৈ যাবৰ বাবে প্ৰতিযোগিতাত নামিছে আৰু এচাম মানুহে আজিও পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ শিকা নাই বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। এতিয়াও এচাম নাগৰিকে স্বচ্ছতা কি, পৰিষ্কাৰ-পৰিচ্ছন্নতা কি সেয়া অৰ্থ, মূল্য অনুভৱ কৰিবলৈ শিকা নাই বুলিও মন্তব্য কৰি তেওঁ কয় যে চহৰখন পৰিষ্কাৰ কৰি ৰখাত প্ৰতিজন নাগৰিকৰ অসীম, গুৰুদায়িত্ব আছে। প্ৰতিজন নাগৰিকেই চহৰখনক নিজৰ আপোন ঘৰখনৰ দৰে গ্ৰহণ কৰিলে চহৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিব বুলি তেওঁ কয়। তেওঁ কেতবোৰ উদাহৰণ দাঙি ধৰি কয়— বহু মানুহে সন্ধ্যা ধাবা, পাৰ্ক, ৰেষ্টুৰেণ্টত গৈ খন্তেকতে হাজাৰ হাজাৰ টকা খৰচ কৰে, কিন্তু নিজৰ ঘৰৰ সন্মুখভাগপৰিষ্কাৰ কৰিবলৈ টকা এশও খৰচ নকৰে। সকলো কাম পৌৰসভাই কৰিব, পৌৰনিগমে কৰিব, জিলা উপায়ুক্তই কৰিব বুলি আশা কৰি ৰৈ থকা নাগৰিকে ভৰি থকা নগৰ, চহৰ কেতিয়াও সম্পূৰ্ণ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিব নোৱাৰে বুলি কয়। নিজে কৰাতো অন্যতম দায়িত্ব বুলি সকলোৱে ইতিবাচক মানসিকতা গঢ়ি তুলিব লাগিব বুলি উল্লেখ কৰি ডিব্ৰুগড় পৌৰনিগমৰ আয়ুক্ত জয়বিকাশৰ উপস্থিতিত তেওঁ কয়— ডিব্ৰুগড় পৌৰনিগমে চহৰখনৰ স্বচ্ছতাৰ ক্ষেত্ৰত কঠোৰ হোৱা প্ৰয়োজন বুলিও উল্লেখ কৰে। তেওঁ চহৰখনৰ সকলো দোকান-পোহাৰৰ মালিকক নিজৰ দোকানৰ সন্মুখভাগ দায়বদ্ধ হৈ নিয়মীয়া পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত পৌৰনিগমেও কঠোৰ জাননী জাৰি কৰাৰ প্ৰয়োজন আছে বুলিও তেওঁ কয়। আজি পুৱা ৬ বজাতে ডিব্ৰুগড়ৰ থানা চাৰিআলিৰ গান্ধী উদ্যানত বে-চৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান 'সৃষ্টি'ৰ উদ্যোগত অনুষ্ঠিত সভাত আয়ুক্তগৰাকীয়েও চহৰখন পৰিষ্কাৰ কৰি ৰাখিবলৈ সকলোকে আহ্বান জনায়। সৃষ্টিৰ হৈ অনন্যা ভূএগাই আঁত ধৰা সভাত ডিব্ৰুগড় পৌৰনিগমৰ পাৰিষদ মামুন গগৈ মিত্ৰয়ো প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি চহৰখনৰ সকলো নাগৰিককে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ আহ্বান জনায়। সভাত পৌৰনিগমৰ কাৰ্যবাহী বিষয়া প্ৰয়াশী গৌতম, ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি পৌৰনিগমৰ কেইবাগৰাকীও পাৰিষদ উপস্থিত থাকে। ইয়াৰ পিছতে পৌৰ আয়ুক্ত জয়বিকাশ, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষসহ সকলোৱে থানা চাৰিআলিত পুৱাই স্বচ্ছতা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।